# 2020

## ASSAMESE

( Major )

Paper : 6.2

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) হেমচন্দ্ৰ বৰুৱাৰ পিতৃ মুক্তাৰাম বৰুৱা কোনটো মৌজাৰ মৌজাদাৰ হৈছিল ?

(খ) মহাপুৰুষীয়া ধৰ্মৰ লোকসকলৰ মতে কেইখানি ৰাজ্যত দুজনা গুৰুৰ লীলা ?

(গ) গদ্য ৰচনাৰ এটা প্ৰধান গুণ উল্লেখ কৰা।

(ঘ) ৰত্নোদধি কি ?

(ঙ) 'আমিয়েলৰ অন্তঃপ্ৰাণৰ ডায়েৰী'ৰ পাতনি কোনে লিখিছিল ?

(চ) 'আসাম বন্ধু' কাৰ সম্পাদনাত প্ৰকাশ হৈছিল ?

(ছ) লেখক লম্বোদৰ বৰাৰ মতে আনন্দৰাম বৰুৱা কাৰ বৰপুত্ৰ ?

২। চমুকৈ উত্তৰ দিয়া : ২×৪=৮

(ক) ''স্বৰ্গপ্ৰাপ্তিৰ নিমিত্তে তীৰ্থ দৰ্শন, এতেকে স্বৰ্গতকৈও যি গৰীয়সী, সি মহাতীৰ্থ।'' কি প্ৰসংগত লেখকে উক্ত কথাথাৰ কৈছিল ?

(খ) প্ৰাচীন ভাৰতবৰ্ষত থকা দুখন বিশ্ববিদ্যালয়ৰ নাম লিখা।

(গ) সৌন্দৰ্যবোধ যে সদায় সম্বন্ধবাচক, যি কোনো এটা উদাহৰণেৰে বুজাই লিখা।

(ঘ) ভূমাস্পৃহা মানে কি ?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) হেমচন্দ্ৰ বৰুৱাই কেনেধৰণৰ প্ৰত্যাহ্বানৰ মাজেদি বিদ্যা আহৰণ কৰিছিল, 'আত্মজীৱন চৰিত'ৰ আধাৰত চমুকৈ লিখা।

(খ) 'ব্ৰহ্ম সচ্চিদানন্দ' বুলি কিয় কোৱা হয়, ব্যাখ্যা কৰা।

(গ) মানুহৰ আধ্যাত্মিক সৌন্দৰ্যই কোনবোৰ দিশ সাঙুৰি লয়, চমুকৈ লিখা।

(ঘ) প্ৰথম অসমীয়া আধুনিক নাটক হিচাপে 'ৰাম নৱমী' নাটকৰ দুৰ্বল দিশবোৰ কি কি ?

(ঙ) ''মানুহ-জীৱনৰ আহিঁ অব্যৰ্থ বীজ, সি সকলো ঠাইতে গজে।'' কথাষাৰ বুজাই লিখা।

৪। (ক) গুণাভিৰাম বৰুৱাই 'সৌমাৰ ভ্ৰমণ' পাঠত অসম দেশৰ প্ৰাচীন গৌৰৱময় ঐতিহ্যৰ বিষয়ে কিদৰে বৰ্ণনা কৰিছে, বহলাই লিখা। ১০

*অথবা*

(খ) ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্যৰ বিকাশত হেমচন্দ্ৰ বৰুৱাৰ অৱদানৰ বিষয়ে আলোকপাত কৰি এটি প্ৰবন্ধ যুগুত কৰা।

৫। (ক) আনন্দৰাম বৰুৱাৰ ব্যক্তিত্বৰ বিভিন্ন দিশসমূহ উল্লেখ কৰি কি কি কাৰণত তেওঁক অসমৰ আচল বন্ধু বুলিব পাৰি, যুক্তি দাঙি ধৰা। ১০

*অথবা*

(খ) 'শ্ৰীকৃষ্ণতত্ত্ব' পাঠটো লক্ষ্মীনাথ বেজবৰুৱাৰ তত্ত্বমূলক ৰচনাৰ শাৰীত কিয় অন্তৰ্ভুক্ত কৰা হৈছে? এই সম্পৰ্কে তোমাৰ মতামত দাঙি ধৰি পাঠটোৰ জৰিয়তে লেখকৰ বক্তব্য-বিষয়ৰ আভাস দিয়া।

৬। (ক) "সৌন্দৰ্যৰ স্থিতি নাই, ব্যাপ্তিহে আছে।" নীলমণি ফুকনৰ এই উক্তিৰ তাৎপৰ্য বিচাৰ কৰা। ১০

*অথবা*

(খ) গুণাভিৰামৰ 'ৰাম নৱমী' নাটকত বিধবা-বিবাহ সংস্কাৰ আন্দোলনৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ লিখা।

★★★